## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ অষ্টম** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল**
**(গুণোৎসৱৰ - ২০১৭ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ⇨ ছাত্ৰ-ছাত্ৰীয়ে পুৰণি অসমীয়া গদ্যৰূপ পঢ়ি বুজি আধুনিক অসমীয়া গদ্য ৰূপত লিখিব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ্যপুথিৰ বহিৰ্ভূত পুৰণি শব্দৰ সৈতে আধুনিক শব্দৰ সম্পৰ্ক স্থাপন কৰিব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে ঐতিহ্যপূৰ্ণ আৰু বুৰঞ্জীপ্ৰসিদ্ধ স্থান দৰ্শন কৰি সেই সম্বন্ধে নিজৰ অভিজ্ঞতা লিখিব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে ৰাজহুৱা আৰু ধৰ্মীয় অনুষ্ঠান, ইতিহাস প্ৰসিদ্ধ স্থান সমূহৰ ঐতিহাসিক তাৎপৰ্য নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰি লিখনিৰ জৰিয়তে প্ৰকাশ কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ অন্তৰ্গত আৰু পাঠ্যপুথিৰ বহিৰ্ভূত পাঠ পঢ়ি বোধগম্য হৈ নিজস্বভাৱে লিখি প্ৰকাশ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ)লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) পৰীক্ষিতৰ ব্ৰহ্মশাপ | - | পাঠ নং ১০ |
| খ) অতীতক নাযাবা পাহৰি | - | পাঠ নং ১১ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

ভাষা শিক্ষণৰ মূল উদ্দেশ্যই হৈছে ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ চাৰিওটা কৌশলৰ (শ্ৰৱণ, কথন, পঠন আৰু লিখন) বিকাশ ঘটোৱা। নিম্ন প্ৰাথমিক পৰ্যায়ত শ্ৰৱণ আৰু কথনত অধিক গুৰুত্ব প্ৰদান কৰা হয় যদিও উচ্চ প্ৰাথমিক শ্ৰেণীত পঠন আৰু লিখন কৌশলৰ পূৰ্ণ বিকাশতহে অধিক গুৰুত্ব প্ৰদান কৰিবলগীয়া হয়। পৰ্যায়ক্ৰমে ছাত্ৰ-ছাত্ৰীসকলে প্ৰথম শ্ৰেণীৰ পৰাই লিখন কৌশল আহৰণ কৰে আৰু অষ্টম শ্ৰেণীত পূৰ্ণ পৰ্যায়ৰ লিখন কৌশল আয়ত্ত কৰিব পাৰিব লাগে। তেওঁলোকৰ বাবে উপযুক্ত গল্প, কবিতা, প্ৰৱন্ধ, ৰচনা, জীৱনী আদি পঢ়ি বুজি নিজা তেওঁলোকে শৈলীৰে লিখিব পাৰিব লাগে। অসমীয়া পুৰণি সাহিত্যৰ ভাষাৰ ৰূপ পঢ়ি আধুনিক অসমীয়া ভাষাৰ ৰূপত লিখিব পাৰিব লাগে। যি কোনো প্ৰত্যক্ষ অভিজ্ঞতা সহজ-সৰল ভাষাত লিখিব পাৰিব লাগে। চিঠি-পত্ৰ, আৱেদন, সভাৰ কাৰ্য বিৱৰণী, কোনো ঘৰুৱা বা ৰাজহুৱা অনুষ্ঠানৰ প্ৰত্যক্ষ অভিজ্ঞতা, কোনোবাই কোৱা কথা বা কাহিনী, গল্প আদি বিষয়বস্তু সন্দৰ্ভত নিজাকৈ লিখিবলৈ সমৰ্থ হব লাগে।

কিন্তু কাৰ্যক্ষেত্ৰত আমাৰ বিদ্যালয়সমূহৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ওপৰত উল্লেখ কৰা পৰ্যায়ৰ লিখন কৌশল আয়ত্ত কৰা দেখা নাযায়। সৰহ সংখ্যক বিদ্যাৰ্থীৰে লিখন অতি পুতৌজনক। বাক্যত উচিত শব্দৰ প্ৰয়োগ, শুদ্ধ বানান, জতুৱা ঠাঁচ, খণ্ডবাক্য, কাল অনুযায়ী ক্ৰিয়া আদি শুদ্ধ ৰূপত ব্যৱহাৰ কৰিলেহে

লিখনিসমূহ সৰ্বাংগ সুন্দৰ হৈ উঠে।

বিগত বৰ্ষৰ গুণোৎসৱৰ ফলাফলৰ প্ৰতিবেদনত লিখন কৌশল মূল্যায়নৰ বাবে দিয়া শ্ৰুতলিপিৰ ফলাফল সন্তোষজনক নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ হাতৰ আখৰ সন্তোষজনক নহয়। যুক্তাক্ষৰযুক্ত শব্দ, একে উচ্চাৰণৰ বেলেগ অৰ্থ বুজোৱা শব্দৰ বানান, 'শ, স, ষ,' ৰ ব্যৱহাৰ, মূৰ্ধণ্য আৰু দন্ত্যৰ বৰ্ণ ব্যৱহাৰৰ ক্ষেত্ৰত আশা নকৰা ধৰণে ভুল কৰা দেখা গৈছে।

ওপৰত উল্লেখ কৰা এই শিকন ঘাটিবোৰ পুনৰ অষ্টম শ্ৰেণীত সম্পূৰ্ণৰূপে পূৰণৰ ব্যৱস্থা লোৱাটো সম্ভৱ নহয়; কাৰণ, পূৰ্বৰ শ্ৰেণী সমূহতে ওপৰত উল্লিখিত বিষয়সমূহ ছাত্ৰ-ছাত্ৰীসকলে পৰ্যাপ্তভাৱে অনুশীলন কৰি নাহে। গতিকে লিখনৰ এই শিকন ঘাটিসমূহ পূৰাবৰ বাবে সময়ে সময়ে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পুনৰ অনুশীলন কৰোৱাৰ প্ৰয়োজন আছে।

এই সমল সামগ্ৰীটোত তৃতীয় সাময়িকীৰ পাঠ "পৰীক্ষিতৰ ব্ৰহ্মশাপ" (পাঠ নং ১০) আৰু "অতীতক নাযাবা পাহৰি" (পাঠ নং ১১) অন্তৰ্ভূক্ত কৰা হৈছে। এই পাঠ দুটাত পুৰণি অসমীয়া ভাষা শৈলীক আধুনিক অসমীয়া ভাষাৰ ৰূপত ভাঙনি কৰিব পৰা, পুৰণি শব্দবোৰৰ অৰ্থ জনা আৰু লিখিব পৰা, পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা, যুক্তাক্ষৰ গঠনৰ শুদ্ধাশুদ্ধ বিচাৰ কৰি লিখিব পৰা, বিপৰীত লিংগ বুজোৱা শব্দ নিৰ্বাচন কৰি নিজৰ লিখনিত ব্যৱহাৰ কৰা, কাল অনুযায়ী বাক্যত ক্ৰিয়াপদ শুদ্ধ ৰূপত ব্যৱহাৰ কৰিব পৰা, নতুনকৈ পোৱা কঠিন শব্দৰ অৰ্থ লিখিব পৰা আৰু সেই শব্দবোৰ নিজৰ লিখনিত ব্যৱহাৰ কৰিব পৰা, স্বাৰ্থিক আৰু নিৰ্দিষ্টতা বাচক প্ৰত্যয় নিজৰ লিখনিত প্ৰয়োজনবোধে ব্যৱহাৰ কৰিব পৰা আদি লিখনৰ অৰ্হতা সমূহ সন্নিৱিষ্ট কৰা হৈছে।

পাঠ্যপুথিত লিখন কৌশল বিকাশৰ বাবে যথেষ্ট ক্ৰিয়া-কলাপ, অনুশীলনী দিয়া আছে। তথাপি ছাত্ৰ-ছাত্ৰীসকলৰ লিখনত থকা ভুল-ভ্ৰান্তিবোৰ আঁতৰাবৰ বাবে আন নতুন নতুন শিকন কৌশল আৰু ক্ৰিয়া-কলাপৰ ব্যৱহাৰ নিতান্তই প্ৰয়োজন। সেইবোৰে ছাত্ৰ-ছাত্ৰীসকলক নিশ্চয় সহায় কৰিব।

এই সমল সামগ্ৰীটোত সেই প্ৰচেষ্টা আগত ৰাখি কিছু নতুনত্ব থকা অভিজ্ঞতা আৰু পৰিকল্পনা সন্নিৱিষ্ট কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

শিক্ষণ-শিকন প্ৰক্ৰিয়াত লিখন কৌশলৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। লিখন কৌশল আয়ত্তকৰণত প্ৰভাৱ বিস্তাৰ কৰা গুৰুত্বপূৰ্ণ বিষয়বোৰ হৈছে —

- ⇨ বানানৰ শুদ্ধতা
- ⇨ শব্দৰ অৰ্থ বুজি বাক্যত সঠিক ৰূপত শব্দৰ প্ৰয়োগ কৰা
- ⇨ যতি বিৰাম চিহ্ন সঠিক ৰূপত লিখনিত ব্যৱহাৰ কৰি প্ৰকৃত অৰ্থ প্ৰকাশ কৰিব পৰা
- ⇨ সৃষ্টিশীল লিখনিৰ জৰিয়তে নিজৰ ভাব-অনুভূতি, যুক্তি, আবেগ প্ৰকাশ কৰা

মূল্যায়ন প্ৰক্ৰিয়াতো লিখন কৌশলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী—**

এই সমল সামগ্ৰী প্ৰস্তুত কৰাৰ মূল উদ্দেশ্য হ'ল— অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখনৰ শিকন ঘাটি পূৰণৰ বাবে শ্ৰেণীকোঠাত যাতে ওপৰঞ্চি নতুন কাৰ্যব্যৱস্থা ল'ব পৰা যায় তাৰ বিষয়ে অৱগত হ'ম।

এই সমল সামগ্ৰীত ১০ নং আৰু ১১ নং পাঠত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষকৰ সহায় হ'ব পৰাকৈ সন্নিৱিষ্ট কৰা অতিৰিক্ত ক্ৰিয়া-কলাপে শিক্ষণ-শিকন প্ৰক্ৰিয়াক আৰু বেছি ফলপ্ৰসূ কৰিব পৰাকৈ যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিব পৰা।

ওপৰত উল্লিখিত লিখনৰ সকলোবোৰ শিকন ঘাটি এই সমল সামগ্ৰীটোত সামৰিব পৰাটো সম্ভৱপৰ

নহয় সেয়েহে, এই সমল সামগ্ৰীটোত বানান শুদ্ধি, পুৰণি অসমীয়া ভাষাৰ ৰূপ আধুনিক ৰূপলৈ ভাঙনি আৰু সৃষ্টিশীল লিখনিৰ বিষয়ে থকা শিকন ঘাটিহে সামৰি লোৱা হৈছে।

**এই সমলটোৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ঃ**

বানান শুদ্ধি আৰু সৃষ্টিশীল লিখনি বিকাশৰ বাবে কিছুমান ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক —

- ⇨ জড়িতকৰণৰ বাবে পৰিৱেশ সৃষ্টি কৰিব পাৰিম।
- ⇨ বিষয়বস্তুৰ অনুসন্ধানৰ বাবে সুবিধা দিব পাৰিম।
- ⇨ বিষয়বস্তুৰ ব্যাখ্যা কৰাৰ সুযোগ সৃষ্টি কৰিব পাৰিম।
- ⇨ বিষয়বস্তুৰ বিস্তৃত জ্ঞান লাভৰ সুযোগ সৃষ্টি কৰিব পাৰিম। এই কেইটা স্তৰৰ জৰিয়তে নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।
- ⇨ অভ্যাস অনুশীলনৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ পঠন দুৰ্বলতাসমূহ দূৰ কৰিব পাৰিম।
- ⇨ অবিৰত মূল্যায়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে আমি শিক্ষকসকলে আত্মমূল্যায়নৰো সুবিধা পাম আৰু উদ্ভাৱনী ক্ৰিয়া-কলাপৰ অনুশীলনৰে শ্ৰেণীকোঠা অধিক গতিশীল কৰিব পাৰিম।
- ⇨ লিখনিত বানানৰ শুদ্ধতা নিশ্চিতকৰণৰ সুযোগ সৃষ্টি কৰিব পাৰিম।
- ⇨ সৃষ্টিশীল লিখনিৰ জৰিয়তে নিজৰ ভাব, চিন্তা, অনুভূতি, অভিজ্ঞতা প্ৰকাশ কৰাৰ সুযোগ সৃষ্টি কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীয়ে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূল ৰূপৰেখা সংক্ষেপে উপস্থাপন ক'ৰা হ'ল —**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ক) পুৰণি অসমীয়া গদ্য ৰূপ পঢ়ি, বুজি আধুনিক অসমীয়া গদ্য ৰূপত লিখিব পাৰিব | ক) পুৰণি অসমীয়া সাহিত্যৰ ভাষাৰ আৰ্হি কাৰ্ড | দলগত ক্ৰিয়া-কলাপ | ক) যিকোনো এখন পুৰণি অসমীয়া ভাষাৰ পুথিৰ পৰা ১০ শাৰী বাক্য আধুনিক অসমীয়া ৰূপলৈ ভাঙনি কৰা ( যেনে, - ভাগৱত, ৰামায়ণ, মহাভাৰত, কীৰ্তন, নামঘোষা ইত্যাদি)।<br>খ) 'তুমি চিত্ত বৃত্তি মোৰ' নামঘোষাত থকা প্ৰাৰ্থনাটো আধুনিক অসমীয়ালৈ ভাঙনি কৰা । | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| খ) পাঠ্যপুথি অন্তৰ্গত আৰু পাঠ্যপুথি বহিৰ্ভূত পুৰণি শব্দৰ সৈতে আধুনিক শব্দৰ সম্পৰ্ক স্থাপন কৰিব পাৰিব। | খ) পুৰণি অসমীয়া ভাষাৰ কাৰ্ড বোৰৰ আধুনিক অসমীয়া ভাঙনিৰ কাৰ্ড | দলগত ক্ৰিয়া-কলাপ | ক) তলত দিয়া শব্দবোৰৰ পুৰণি অসমীয়া ৰূপ কি আছিল ?<br>এদিনাখন, বনলৈ, পিয়াহত, ঘৰলৈ, গ'ল, এইবুলি, চিকাৰ, বৰ ভাগৰুৱা, খুজিলে, মই, নকৰে।<br>খ) তুমি দেখি থকা যিকোনো বস্তুৰ বিষয়ে আদ্যপান্ত বৰ্ণনা কৰি লিখা। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study) ঃ

পুৰণি অসমীয়া ভাষাৰ ৰূপ আধুনিক অসমীয়া ৰূপলৈ ভাঙনি কৰা নিজৰ অভিজ্ঞতা লিখি প্ৰকাশ কৰা আৰু ভুল বানানৰ শুধৰণিৰ বাবে লোৱা ব্যৱস্থাৱলী —

মৰমী বৰ্মণ বাইদেউ নলবাৰী জিলাৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ অসমীয়া বিষয় পঢ়োৱা শিক্ষয়িত্ৰী। মৰমী বাইদেউ বিদ্যালয়খনলৈ নতুনকৈ বদলি হৈ আহিছে। মৰমী বাইদেৱে অসমীয়া বিষয়টো অষ্টম শ্ৰেণীত আদান-প্ৰদান কৰা সময়ত মন কৰিছিল যে - ছাত্ৰ-ছাত্ৰীসকলৰ বাক্য গাঁঠনি, বানান, যতি বিৰাম চিহ্ন, ভাব সম্প্ৰসাৰণ, ব্যাখ্যা, মূলভাৱ, সৃষ্টিমূলক লিখনি, অনুষ্ঠান, সভা-সমিতি আদিৰ প্ৰতিবেদন লিখা আদি লিখনৰ

ক্ষেত্রত যথেষ্ট ঘাটি আছে। এই ঘাটিসমূহ আতঁৰাবৰ বাবে মৰমী বাইদেৱে পৰ্যায়ক্ৰমে পাঠ নং ১০ ৰ আলমত নিদানমূলক ব্যৱস্থা পৰিকল্পনা কৰি শিক্ষণ-শিকন প্ৰক্ৰিয়াত প্ৰয়োগ কৰিলে।

প্ৰথমতে মৰমী বাইদেৱে ছাত্ৰ-ছাত্ৰীৰ বানান শুদ্ধি আৰু পুৰণি অসমীয়া ভাষাৰ ৰূপ আধুনিক অসমীয়া ভাষাৰ ৰূপলৈ ভাঙনিৰ বাবে কি কাৰ্য পন্থা হাতত ল'লে চাওঁ আহক ।

**প্ৰস্তুতি ঃ**

বৰ্মন বাইদেৱে অসমীয়া ভাষাৰ পুৰণি ৰূপ থকা পাঠ্যপুথিৰ ১০ নং পাঠটোৰ আলমত এটি ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিলে। আগতীয়াকৈ বাইদেৱে পাঠ্যপুথি বহিৰ্ভূত অসমীয়া পুৰণি ভাষাৰ চানেকি হিচাপে ৰামসৰস্বতীৰ 'বকাসুৰ বধ'ৰ পৰা ১০ শাৰী, শংকৰদেৱৰ কীৰ্ত্তনৰ পৰা ১০ শাৰী, 'ভাগৱত'ৰ পৰা ১০ শাৰী আৰু মাধৱদেৱৰ 'নামঘোষা'ৰ পৰা ১০ শাৰীকৈ চাৰিখন কাৰ্ডত লিখি ল'লে। চাৰিখন পুৰণি কেলেণ্ডাৰৰ ওলোটা পিঠিত এই স্তৱকসমূহৰ আধুনিক অসমীয়া ৰূপৰ ভাঙনি প্ৰস্তুত কৰি ল'লে।

শ্ৰেণীত থকা ১৬ গৰাকী ছাত্ৰ-ছাত্ৰীক ৪ টা দলত ভাগ কৰি বৰ্মণ বাইদেৱে আগতে প্ৰস্তুত কৰি থোৱা কাৰ্ড কেইখন প্ৰতিটো দলকে এখনকৈ দিলে।

তাৰ পিছত সেই স্তৱকবোৰ ভালদৰে পঢ়ি দলগতভাৱে আলোচনা কৰি আধুনিক অসমীয়া ৰূপত লিখিবলৈ উৎসাহিত কৰিলে। ছাত্ৰ-ছাত্ৰীসকলে ভাঙনি কৰাৰ পিছত দলৰ সেইবোৰ তেওঁলোকক মাজত সলনা সলনি কৰি পঢ়ি চাবলৈ দিলে আৰু তেওঁলোকে অনুভৱ বা প্ৰয়োজনবোধ কৰিলে সেইবোৰৰ শুধৰণি কৰিবলৈ উৎসাহিত কৰিলে। এইদৰে সলনা-সলনিকৈ স্তৱক আৰু আধুনিক অসমীয়া ভাঙনিৰ ৰূপবোৰ চাবলৈ বৰ্মণ বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক উদগণি জগালে। বানান আৰু শব্দৰ পুৰণি ৰূপ আধুনিক ৰূপ কৰোঁতে যদি অশুদ্ধ হোৱা বুলি ভাবিছে শুধৰাই দিবলৈ উৎসাহিত কৰিলে। তাৰ পিছত বৰ্মণ বাউদেৱে আগতে প্ৰস্তুত কৰি থোৱা আধুনিক অসমীয়া ৰূপৰ ভাঙনিৰ কেলেণ্ডাৰ চাৰিখন সন্মুখৰ বেৰত আৰি দি, তেওঁলোকক নিজৰ ভিতৰতে শুদ্ধাশুদ্ধ বিচাৰ কৰি পুনৰ সুন্দৰ হাতৰ আখৰেৰে লিখিবলৈ কলে আৰু যিবোৰ শব্দ ভুল হৈছিল সেইবোৰ শব্দ প্ৰত্যেককে ব্যক্তিগতভাৱে তিনিবাৰকৈ লিখিবলৈ দিলে। বানানবোৰ ভুল কৰাৰ কাৰণবোৰ ফঁহিয়াই দেখুৱালে আৰু শুধৰাই দিলে।

তাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক বৰ্মণ বাইদেৱে পাঠ্যপুথিৰ ১০ নং পাঠ 'পৰীক্ষিতৰ ব্ৰহ্মশাপ' পাঠটোত থকা আৰু তেখেতে দিয়া স্তৱক কেইটাত থকা একে একে শব্দবোৰ বাছি উলিয়াই লিখিবলৈ দিলে। এই ক্ৰিয়া-কলাপটো কৰি ছাত্ৰ-ছাত্ৰীসকলে বৰ আনন্দ আৰু নতুন অভিজ্ঞতা লাভ কৰিলে। নিজে অনুভৱ নকৰাকৈ তেওঁলোকে সম্পূৰ্ণৰূপে ক্ৰিয়া-কলাপত জড়িত আৰু ব্যস্ত হৈছিল। বৰ্মণ বাইদেৱে নিজেও সমস্ত প্ৰক্ৰিয়াটোত বৰ আনন্দ আৰু সন্তুষ্টি লাভ কৰিছিল।

এই সমস্ত ক্ৰিয়া-কলাপটো কৰাবলৈ বৰ্মণ বাইদেউৱে ৪ দিনৰ ৪ টা পিৰিয়দত (Period) ব্যৱহাৰ কৰিছিল।

***বিঃদ্ৰঃ — বৰ্মণ বাইদেৱে শ্ৰেণীত থকা বিশেষভাৱে সক্ষম ছাত্ৰীজনীৰ বাবে বিশেষভাৱে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু প্ৰথম দিনা উপস্থিত নথকা ছাত্ৰজনক পিছৰ কেইদিন উপস্থিত থকাৰ ব্যৱস্থা কৰিছিল।***

**চিন্তা কৰি চাওঁ আহক —**

- ছাত্ৰ-ছাত্ৰীসকলে পুৰণি অসমীয়া ভাষাৰ ৰূপ আধুনিক অসমীয়া ৰূপত লিখি উলিওৱাত হ'ব পৰা জটিলতা আঁতৰ কৰিবলৈ মৰমী বৰ্মণ বাইদেৱে কি পদক্ষেপ ল'লে?
- মৰমী বাইদেৱে বিষয়বস্তুৰ সৈতে বাৰে বাৰে জড়িতকৰণেৰে ছাত্ৰ-ছাত্ৰীক পুৰণি অসমীয়া ভাষাৰ সৈতে পৰিচয় কৰোৱাৰ বাবে আৰু অৰ্থোদ্ধাৰৰ কৌশল আয়ত্ত কৰোৱাৰ বাবে আৰু কি কি কৰিব পাৰিলেহেঁতেন?
- ওপৰত উল্লেখ কৰা ক্ৰিয়া-কলাপৰ আলমত আমি উদ্ভাৱনীমূলক আন ক্ৰিয়া-কলাপ শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব নোৱাৰোনে?

**ক্ৰিয়া-কলাপ —**

অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে যিকোনো ঘটনা, ঠাই, উৎসৱ-পাৰ্বনৰ অনুষ্ঠান আদিৰ বিষয়ে প্ৰতিবেদন লিখিব নোৱাৰে। সেয়ে তেওঁলোকক নিম্নোক্ত বিষয়ে লিখিবলৈ দিব পাৰি, যেনে —নিজৰ গাঁও বা চহৰত হোৱা বিয়া, নামঘৰ, মছজিদ, গীৰ্জা আদিত উদ্‌যাপিত হোৱা ধৰ্মীয় অনুষ্ঠান আদি।

**প্ৰস্তুতি ঃ**

কাৰ্ড ৫ খনৰ শিৰোনামবোৰ হ'ল—

ক) বিয়াৰ দিনা ৰাতিপুৱা হোৱা কামৰ বৰ্ণনা।

খ) বিয়াৰ দিনা দুপৰীয়া হোৱা কামৰ বৰ্ণনা।

গ) বিয়াৰ দিনা আবেলি হোৱা কামৰ বৰ্ণনা।

ঘ) বিয়াৰ দিনা ৰাতি হোৱা কামৰ বৰ্ণনা।

ঙ ) বিয়াৰ দিনা শেষ ৰাতি হোৱা কামৰ বৰ্ণনা।

⇨ বিদ্যালয়খন থকা গাওঁ বা অঞ্চলটোৰ জনগোষ্ঠীটোৰ বিয়া অনুষ্ঠানৰ নীতি নিয়মৰ ক্ৰম অনুসৰি বৰ্ণনা থকা ৫ খন কাৰ্ড ঃ

শ্ৰেণীকোঠাত থকা ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমতে বিভিন্ন দলত ভাগ কৰি, আগতে প্ৰস্তুত কৰি থোৱা বিয়া সম্পৰ্কীয় শিৰোনাম থকা কাৰ্ড ৫ খন বিলাই দিব পাৰি। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ দলত নিৰ্দিষ্টকৈ দিয়া সময়খিনিত বিয়াৰ কি কি অনুষ্ঠান হয় লিখিব। তাৰ পিছত দলত লিখা বিয়া সম্বন্ধীয় কথাবোৰ ক্ৰম অনুসৰি সজাব। পিছত শিক্ষকে আগতে প্ৰস্তুত কৰি থোৱা বিয়া সম্পৰ্কীয় ৰচনাখন বেৰত আৰি দিব।

ছাত্ৰ-ছাত্ৰীবোৰে লিখনিত বৈ যোৱা কথাবোৰ লিখিব আৰু নতুনকৈ পোৱা কথাবোৰ সন্নিৱিষ্ট কৰিব। সম্পূৰ্ণ ৰচনাখন সম্পৰ্কে বা বিয়া অনুষ্ঠান সম্বন্ধীয় মনত উদয় হোৱা প্ৰশ্নৰ এখন তালিকা তেওঁলোকক প্ৰস্তুত কৰিবলৈ দিব পাৰি।

পাঠ্যপুথিত থকা ১১ নং "অতীতক নাযাবা পাহৰি" পাঠটোৰ আলমত নিজৰ প্ৰত্যেক্ষ অভিজ্ঞতা লিখিবলৈ উৎসাহিত কৰিব পাৰি। সেইদৰে নিজৰ থকা ঠাইখনৰ নামঘৰ বা ধৰ্মীয় অনুষ্ঠান ভালদৰে পৰ্যৱেক্ষণ কৰি সেই সম্বন্ধে লিখিবলৈ দিব পাৰি। সেই সন্দৰ্ভত বিভিন্ন প্ৰশ্নৰ উত্তৰ লিখিবলৈ দিব পাৰি। এইদৰে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ আলমত সৃষ্টিশীল ৰচনা লিখিবলৈ উৎসাহিত কৰিব পাৰিব।

*বিঃ দ্ৰঃ —*

- ⇨ ***শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।***
- ⇨ ***লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি; সেইবাবে আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি দিব পাৰোঁ নেকি ভাবোঁ আহক!***

**সাৰাংশ ঃ-** ছাত্ৰ-ছাত্ৰীসকল অসমীয়া ভাষাৰ পুৰণি ৰূপৰ সৈতে পৰিচিত হৈছে, লগতে আধুনিক অসমীয়া ৰূপ সম্পৰ্কে তেওঁলোকৰ ধাৰণা স্পষ্ট হোৱা পৰিলক্ষিত হৈছে। ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল সম্পূৰ্ণৰূপে আমনিবোধ নকৰাকৈ জড়িত হোৱা দেখা গৈছে। পাঠৰ অন্তৰ্ভুক্ত আৰু পাঠ্য বহিৰ্ভূত ৰচনাৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি শিক্ষয়িত্ৰীয়ে শিক্ষণ-শিকন প্ৰক্ৰিয়াত নতুনত্ব আনিছে। বাৰে বাৰে স্ব-মূল্যায়ন কৰাৰ সুযোগ সৃষ্টি কৰিছে। ছাত্ৰ-ছাত্ৰীসকলক বাহ্যিক পৰিৱেশৰ সৈতে জড়িত কৰি তেওঁলোকৰ চিন্তা আৰু সৃষ্টিশীল কৰ্মৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰা হৈছে। পুৰণি সাহিত্য পুথি সমূহ পঢ়িবলৈ তেওঁলোকক আগ্ৰহী কৰি তুলিছে।

**ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন -**

ওপৰত উল্লিখিত শিকনৰ ফলাফলৰ সৈতে জড়িত তলত দিয়া প্ৰশ্নবোৰ আমি শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক লিখিবলৈ দিওঁ আহক —

⇨ যিকোনো এখন পুৰণি অসমীয়া ভাষাৰ পুথিৰ পৰা, যেনে - ভাগৱত, ৰামায়ণ, মহাভাৰত, কীৰ্তন, নামঘোষা আদিৰ পৰা ১০ শাৰী বাক্য আধুনিক অসমীয়া ৰূপলৈ ভাঙনি কৰা —

⇨ 'তুমি চিত্ত বৃত্তি মোৰ' নামঘোষাৰ প্ৰাৰ্থনাটো আধুনিক অসমীয়া ৰূপত লিখা।

⇨ তলত দিয়া শব্দবোৰৰ পুৰণি অসমীয়া ৰূপ কি আছিল লিখা—

এদিনাখন, বনলৈ, পিয়াহত, ঘৰলৈ, গ'ল, এইবুলি, চিকাৰ, বৰ ভাগৰুৱা, খুজিলে, মই, নকৰে।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ তলত দিয়া পুৰণি অসমীয়া ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰৰ আধুনিক অসমীয়া ৰূপ লিখি এটাকৈ বাক্য ৰচনা কৰা।

মৃগ, হিয়া , তাপিত, অঙ্ক, পাইবেক, বালক, ক্ৰন্দন, দণ্ডিবো, আচান্ত ।

⇨ তোমাৰ বিদ্যালয়খনৰ চৌহদত থকা যিকোনো এজোপা গছৰ বিষয়ে আদ্যোপান্ত বিৱৰণ লিখা ।

⇨ গ্ৰীষ্মকালীন শিৱিৰৰ অভিজ্ঞতাৰ বিষয়ে এখন প্ৰতিবেদন প্ৰস্তুত কৰা।

**প্ৰসঙ্গ টোকা ঃ**

⇨ পাঠ্যপুথি - অংকুৰণ (অষ্টম শ্ৰেণী)

⇨ অসমীয়া ভাষা শিক্ষণৰ ৰূপৰেখা ঃ চক্ৰেশ্বৰ দাস।

⇨ গুণোৎসৱ আৰু নাচ (NAS)2017 ৰ ফলাফল।

⇨ অসমীয়া আখৰ জোঁটনি - গুৱাহাটী বিশ্ববিদ্যালয়।

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***